নিজৰে দুখ লাগিল; নিজকে দোষী যেন লাগিল। এদিন অনিল দাসক হেমাংগই ধেমালি কৰি কৈছিল—“ভূপেন হৈছে এৰাল ছিগা গৰুৰ দৰে, বান্ধি ৰাখিলে ভাল—অন্যথা যেনি-তেনি দৌৰিব।” সঁচাকৈয়ে এইবাৰ এৰাল ছিগিল।

ঘৰলৈ অহাৰ পাছতো ভূপেন হাজৰিকাৰ কলিকতা যাত্ৰাৰ কথাটোৱে হেমাংগক আমনি দি থাকিল। কেৱল গণনাট্যৰ বাবেই নহয় অসমৰ সাংস্কৃতিক জগতৰ বাবেও ই এক অপূৰণীয় ক্ষতি বুলি হেমাংগৰ ভাব হ'ল। আন এটা কথায়ো মনটোক আমনি দিলে। ধেমালিতে ক'লেও সুদক্ষিণাই কোৱা কথাষাৰ হেমাংগৰ কাণত বাজি থাকিল—“এইবাৰ বিয়াখন পাতিব লাগিব।”

বিয়াৰ কথাটো হেমাংগই কেতিয়াও ভবাই নাছিল। সৰ্বক্ষণৰ কৰ্মী এজনে বিয়া পতাৰ কথা ভাবিব পাৰেনে? যাৰ নিজৰেই থকা-খোৱাৰ কোনো নিশ্চয়তা নাই; কামৰ তাগিদাত যি অঘৰীৰ দৰে ঘূৰি ফুৰিব লাগে তাৰ বাবে ঘৰ-সংসাৰ কৰা সম্ভৱনে? বয়সেও জানো অনুমতি দিব? পুৰুষৰ জানো বয়সৰ কথা আছে? কিন্তু বিয়াৰ পাত্ৰী?

ৰাণু দত্ত। বেংগুৱা গাঁৱৰ এখন অখ্যাত স্কুলৰ শিক্ষয়িত্ৰীগৰাকীৰ কথা দুজনমান কমৰেডে বহুদিনৰ আগতেই কোৱা হেমাংগৰ মনলৈ আহিল। প্ৰথমখন গানৰ পুথি ‘বিষাণ'ৰ পাতত হেমাংগৰ ছবি দেখিয়েই নে গান শুনিয়েই হেনো বৰ আকৰ্ষিত হৈছিল। হয়তো প্ৰেমতো পৰিছিল! সেইবোৰ কথা তেতিয়া হেমাংগই গুৰুত্বই দিয়া নাছিল। ইমানদিনে লুইত-পদ্মাইদি বহু পানী বৈ গ'ল। এতিয়াও জানো ৰাণু আগৰ ৰাণু দত্তই হৈ আছে? যিগৰাকী ছোৱালীক জীৱনত কেতিয়াও দেখা নাই সেইজনী ছোৱালীৰ খবৰ বাৰু জানিব কেনেকৈ?

নাই, মনটো দেখোন সুস্থিৰ হ'বই নোখোজে। ৰাণু দত্তক কেন্দ্ৰ কৰিয়েই পাকঘূৰণি খাই থাকিল। নুঘূৰিবনো কিয়? হেমাংগও তেজ-মঙহৰ মানুহহে! কিন্তু এইবিলাক কথা ভবাৰ আগতে হেমাংগ থকা ঠাইৰ ব্যৱস্থা কৰাৰ চিন্তাতহে ব্যস্ত হৈ পৰিল। চিকিৎসকে শৰীৰৰ বাবে নিয়মিত গাখীৰ খোৱাটো প্ৰয়োজনীয় বুলি কৈছে। সেয়েহে গাখীৰ পোৱা ঠাইৰ ওচৰে-পাঁজৰে ভাৰা কোঠা এটা বিচাৰিবলৈ লোকনাথক কৈ থ'লে।

কেইদিনমান পাছত গুৱাহাটী ডেইৰিৰ ওচৰতে থকা কোঠা এটাৰ সন্ধান লোকনাথে দি গ'ল। দুয়ো এদিন কোঠাটো চায়ো আহিলগৈ। সংঘৰ কাৰ্যালয়ৰ ওচৰতে হোৱা বাবে হেমাংগৰ বেছি সুবিধাহে হ'ল। পাছদিনাই কোঠাটোত বয়বস্তু আনি সুমুৱালেহি। আৰম্ভ হ'ল এটা অন্য জীৱন।

লাহে লাহে নতুন ঠিকনালৈ বন্ধু-বান্ধৱৰ আহ-যাহ চলিল। সময় উলিয়াই হেমাংগই চীনদেশৰ অভিজ্ঞতাখিনি ইংৰাজীতে লিখিবলৈ আৰম্ভ কৰিছে। নাম দিছে ‘উইটনেছিং চাইনা উইথ আইজ'। দিনটো এনেদৰে ব্যস্ততাৰে পাৰ হৈ গ'লেও নিশা হেমাংগৰ বৰ নিঃসংগ যেন লগা হ'ল। এইদৰে আৰু জীৱন অতিবাহিত কৰিব পাৰিবনে? কেতিয়াবা মনলৈ খেলি-মেলি ভাববোৰ আহে। ঠিক তেনে সময়তে ভৱিষ্যৎ জীৱনৰ চিন্তায়ো ব্যতিব্যস্ত নকৰা নহয়। বিশেষকৈ যেতিয়া কোনোবা সহযোদ্ধাৰ যুগ্ম জীৱনৰ ছবিখন চকুত ভাহি উঠে।

সেইদিনা সন্ধিয়া কেশৱ মহন্তৰ সৈতে পত্নী নিকুঞ্জলতা মহন্ত সংঘৰ কাৰ্যালয়লৈ আহিছিল। হেমাংগ চীনলৈ যোৱাৰ কিছুদিন পূৰ্বেই দুয়ো বিবাহপাশত আবদ্ধ হৈছিল। মহন্তই ডনবস্কো স্কুলৰ চাকৰিটো এৰি এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগত যোগদান কৰিছে। দীৰ্ঘসময়ৰ পাছত আকৌ তেওঁলোকৰ সৈতে দেখা-দেখি হৈছে। ৰাজনীতিৰ পৰা সংস্কৃতিলৈকে অনেক প্ৰসংগ ওলাল—গণনাট্য সংঘৰ অস্তিত্বৰ সংকট, নীতি-আদৰ্শৰ সংঘাত। সৰ্বভাৰতীয় ৰূপটোৰ হ্ৰাস হোৱাৰ বিড়ম্বনাৰ বিষয়েও আলোচনা চলিল। মহন্তই গাই শুনালে এটা গীতৰ কলি—“তোকে মোকে দুফাল কৰি/সিহঁতে পাতিলে জাল/সেই জালত ভৰি দি তই/দুয়োৰে চপালি কাল/মই সঁকীয়াই দিলোঁ/অ' মই সঁকীয়াইছিলোঁ/তোৰ কিয় যে নলৰিল গা/তই মোলৈহে দাঙিলি দা/অ' কলিজাত লাগিল ঘা।”

“বৰ সঠিক হৈছে কেশৱ। আমি আমাৰ কাম কৰি যাব লাগিব। গীত-মাতেৰেই মানুহক সজাগ সচেতন কৰিব লাগিব। ৰাজনৈতিক লক্ষ্য-উদ্দেশ্য-কিম্বা আদৰ্শ থাকিলেও গণনাট্য সংঘ কোনো ৰাজনৈতিক দলৰ মঞ্চ নহয়। ই মানুহৰ মঞ্চ। সংস্কৃতিৰ মাজেৰে মানুহৰ হৈ কথা কোৱা মঞ্চ।” —হেমাংগই দৃঢ়ভাৱে ক'লে।

“সেইটো হয়, পিছে সঠিক ৰাজনৈতিক দিক নিৰ্দেশনাৰ প্ৰশ্নটো জড়িত হৈ আছে।” —মহন্তই কথাবোৰ সহজভাৱে মানি ল'ব পৰা নাছিল।

এটা সময়ত তিনিও কাৰ্যালয়ৰ পৰা গৃহাভিমুখে ওলাই আহিল। বাটতে হেমাংগই ক'লে—“কেশৱ, এই আই পি টি এৰ এটা সুন্দৰ সৰ্বজন গ্ৰহণীয় অসমীয়া নাম দিবাচোন।”

দুখোজমান আগুৱাই কেশৱ মহন্তই হাঁহি হাঁহি ক'লে—“কি আৰু! আমি যি কৰি আছোহঁক—অসমত। দেশেই নাটঘৰ, ৰাইজেই ভাৱৰীয়া।”

“তুমি সত্ৰীয়া মহন্ত যে আকৌ নামঘৰৰ ভিতৰলৈ সোমাই ভাৱৰীয়া জাকৰ মাজত সোমালাগৈ। পলম হৈছে; বাৰু এতিয়া যোৱা।”

পাণবজাৰৰ ৰাজআলিত দুয়োকে বিদায় দি এটা গধুৰ মন লৈ হেমাংগ কোঠালৈ উভতিল। তেতিয়া পৰিৱৰ্তনৰ বতাহ বলিছে। কেৱল অসমতেই নহয়, সমগ্ৰ দেশতে এই বতাহ বিয়পিছে। কেৰালাৰ কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত যুক্তফ্ৰণ্ট চৰকাৰ গঠন হৈছে। চীনত থাকোঁতেই হেমাংগই এই খবৰ পাইছিল। চীনা বন্ধুসকলে যেতিয়া অভিনন্দন জনাই কেৰালাৰ কমিউনিষ্টৰ গণফৌজৰ সৈন্যসংখ্যাৰ কথা সুধিছিল তেতিয়া হেমাংগৰ মুখৰ মাত হৰিছিল। তেওঁলোকে আচৰিত হৈ সুধিছিল—‘গণফৌজ অবিহনেও ৰাষ্ট্ৰ ক্ষমতা দখল কৰা সম্ভৱনে?’

স্বাধীন ভাৰতত এয়া অসম্ভৱ নহয়। কিন্তু এয়া জয় নে পৰাজয়? এই পথে বাৰু ক'লৈ লৈ যাব? জনগণক ৰাজনৈতিকভাৱে উদ্বুদ্ধ কৰিবনে হতাশ কৰিব? সংসদীয় পথেই সঠিক নে? এনেদৰেই কৃষক-শ্ৰমিকৰ মুক্তি অবিহনে? হেমাংগ বিভ্ৰান্ত হয়। ভুল কাৰ? নেতৃত্বৰ নে কৰ্মীৰ? শোধনবাদনে সংকীৰ্ণতাবাদ? এনে পৰিস্থিতিত বাৰু আগৰদৰে কাম কৰা সম্ভৱ হৈ থাকিবনে?

পৰিস্থিতিয়ে হেমাংগকো নিজৰ কথা ভাবিবলৈ বাধ্য কৰিছে। কৰিব কি? মন খুব অশান্ত। অলপ মানসিক সুস্থিৰতা বিচাৰি সন্ধ্যা কাৰ্যালয়ৰ পৰা বাহিৰে বাহিৰে দিলীপ শৰ্মাৰ ওচৰলৈ আহিল। আহোঁতে ভৰলু নৈৰ সৰু সৰু মাছ কেইটামানো কিনি আনিলে। ভাৰাঘৰটোলৈ গৈ দুৱাৰ বন্ধ দেখিহে হতাশ হ'ল। উপায় নাপাই হেনাৰ দুৱাৰত টোকৰ মাৰিলে। ফণী বৰা আৰু হেনাই সেইটো ঘৰৰে আন এটা অংশ ভাৰা লৈ আছিল। সেই সময়ত ফণী বৰা ঘৰত নাছিল। হেনাই হেমাংগক ভিতৰলৈ মাতি লৈ গ'ল।

“শৰ্মাহঁতক ঘৰত নাপালোঁ। ক'ৰবালৈ গৈছে নেকি?” —হেমাংগই সুধিলে।

“নাই, কলিকতালৈ গৈছে।”

“সৰু মাছ কেইটামান আনিছিলোঁ। ৰ'বা ময়ে বাছি দিওঁ।”

“নালাগে। মই পাৰিম দিয়ক।”

“তুমি পাৰিবা জানো কিন্তু নালাগে। ময়ে বাছি দিম। তুমি চাহকে কৰা।” —হেনাৰ আপত্তি নুশুনি হেমাংগ নিজেই কামত লাগিল।

আজৰি হোৱাৰ পাছত দোতাৰাটো লৈ কেইটামান ভাটিয়ালি আৰু বাউল গান গাই হেনাক শুনালে। হেনা হেমাংগৰ গানৰ ভক্ত। এই গানৰ বাবেই সৰুতে গণনাট্য সংঘৰ প্ৰেমত পৰিছিল। প্ৰেম অৱশ্যে ফণী বৰাৰ লগতো হ'ল। তেনেকৈয়ে এদিন হেনা দত্ত হেনা বৰা হৈ পৰিল।